# ২০২৫-২০২৬ বৰ্ষৰ কেৰম শাখাৰ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন ঃ-

নগাওঁ ক্ৰীড়া সংস্থাৰ মাননীয় সভাপতি মহোদয়, মাননীয় সাধাৰণ সম্পাদক মহোদয় আৰু সদনৰ সকলো সদস্যলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি নগাওঁ ক্ৰীড়া সংস্থাৰ কেৰম শাখাৰ সম্পাদক হিচাপে ২০২৫-২০২৬ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন আপোনালোকৰ আগত দাঙি ধৰিলোঁ।

যোৱা বৰ্ষৰ দৰে এই বৰ্ষটো নগাঁও ক্ৰীড়া সংস্থাৰ পৰিচালনাত পঞ্চম বজৰংলাল নাহাতা সোঁৱৰণী ক্ৰীড়া সপ্তাহৰ আন্তঃক্লাব কেৰম প্ৰতিযোগিতাখন যোৱা ২২ আৰু ২৩ মাৰ্চ, ২০২৬ তাৰিখে নগাঁও ক্ৰীড়া সংস্থাৰ প্ৰেছ গেলেৰীৰ তলৰ কক্ষত অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাখনত মুঠ ১৮ টা ক্লাবে যোগদান কৰে। সেই প্ৰতিযোগিতাত ভালে সংখ্যক খেলুৱৈয়ে উন্নত প্ৰদৰ্শণ কৰিবলৈ সক্ষম হয়। উক্ত প্ৰতিযোগিতাত ষ্টাৰ স্প'ৰ্টিং ক্লাব চেম্পিয়ন, পলাইট ক্লাব ৰাণাৰ আপ আৰু সূৰ্য্যোদয়ে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাখনি পৰিচালনা কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কেৰম ৰেফাৰী শ্ৰীযুত যাদৱ শইকীয়াই আৰু তেখেতক মুখ্য ৰেফাৰী হিচাপে সহায় কৰে ৰাষ্ট্ৰীয় কেৰম ৰেফাৰী শ্ৰীযুত মনোজ দাসে।

পৰিশেষত সংস্থাৰ মাননীয় সভাপতি, মাননীয় সাধাৰণ সম্পাদক প্ৰমুখ্যে সকলো কাৰ্য্যনিৰ্বাহকৰ বিষয়ববীয়া তথা সদস্যক ধন্যবাদ জ্ঞাপন কৰিছো। মোক শাখাটোৰ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে যিসকলে সহায়-সহযোগিতা আগবঢ়াই নিয়াৰিকৈ চলাই লৈ যাবলৈ দিহা-পৰামৰ্শ আগবঢ়াইছে, তেখেত সকলকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে সংস্থাৰ সৰ্ব্বাঙ্গীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

**প্ৰেম কুমাৰ দাস**
শাখা সম্পাদক, কেৰম,
নগাঁও ক্ৰীড়া সংস্থা,
নগাওঁ ঃঃ অসম